**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-08-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::

১। সমগ্ৰ দেশতে আজি উৎসাহ উদ্দীপনাৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাত আজি পুৱা এই উদযাপনৰ গুৰি ধৰে।

২। প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে মধ্যবিত্ত আৰু দৰিদ্ৰ পৰিয়ালসমূহৰ শিক্ষাৰ্থীসকলৰ সহায়ক হোৱাকৈ বিনামুলীয়া অনলাইন প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি ঘোষণা কৰে।

৩। বিশ্ব নেতা আৰু বিভিন্ন দেশৰ দূতাবাসসমূহে ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ভাৰতক শুভেচ্ছা জনাইছে।

৪। ইণ্ডোনেচিয়াৰ ফ্ল'ৰেছ খণ্ডত আজি পুৱা অহা ৰিখটাৰ স্কেলত ৭ দশমিক ৭ প্ৰাবল্যৰ এটা ভূমিকম্পত মৃত লোকৰ সংখ্যা ৩৮ লৈ বৃদ্ধি পাইছে। *আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ সামৰণিত ভাৰতে ২ উইকেটৰ বিনিময়ত ২৮৮ ৰাণ সংগ্ৰহ কৰিছে।

০০০০

দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ পবিত্ৰ ক্ষণত আজি দেশজুৰি উলহ মালহৰ পৰিবেশে বিৰাজ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা আজি পুৱা এই উদযাপনৰ গুৰি ধৰে। প্ৰধানমন্ত্ৰীৰ আগমনৰ লগে লগে লালকিল্লাত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম পৰিৱেশন কৰা হয়। এই বছৰ স্বাধীনতা দিৱসত বন্দে মাতৰমৰ ডেৰশ বছৰ উদযাপনৰ লগতে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যৰ যাত্ৰাত দেশৰ যুৱ শক্তিৰ আশা-আকাংক্ষা, শক্তি তথা গুৰুত্বপূৰ্ণ অৱদানক উদযাপন কৰা হৈছে। লালকিল্লা প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ বাবে লালকিল্লাৰ পৰা বন্দে মাতৰম ধ্বনিত হয়। তেওঁ লগতে শেহতীয়াকৈ দেশৰ কোনো কোনো অংশত বান আৰু ভূমিস্খলনৰ ফলত বহু পৰিয়াল ক্ষতিগ্ৰস্ত হোৱাৰ কথাও উল্লেখ কৰি সমগ্ৰ দেশ এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আছে বুলি আশ্বাস দিয়ে

বাইট- প্ৰধানমন্ত্ৰী -PM Flood

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰতে ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰ লক্ষ্যৰ দিশে আগবাঢ়ি যোৱাৰ সময়ত বহু অভূতপূৰ্ব সংকট সফলভাৱে অতিক্ৰম কৰিছে। কোৱিড-১৯ মহামাৰী আৰু ইউক্ৰেইন তথা পশ্চিম এছিয়াৰ সংঘাতৰ পৰৱৰ্তী সময়ৰ প্ৰত্যাহ্বানসমূহৰ কথা সুঁৱৰি শ্ৰী মোদীয়ে কয় যে ভাৰতৰ সু-পৰিকল্পিত নীতি, প্ৰস্তুতি আৰু সক্ৰিয় ব্যৱস্থাই এই প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাত সহায় কৰিছিল।

শ্ৰীমোদীয়ে আজি লালকিল্লাৰ পৰাই বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে মধ্যবিত্ত আৰু দৰিদ্ৰ পৰিয়ালসমূহৰ শিক্ষাৰ্থীসকলৰ সহায়ক হোৱাকৈ বিনামুলীয়া অনলাইন প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি ঘোষণা কৰে। শ্ৰীমোদীয়ে কয় যে আগশাৰীৰ শিক্ষাবিদৰ পৰা যাতে সকলোৱে উন্নত শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে এটা বৈপ্লৱিক পদক্ষেপ লোৱা হ'ব। তেওঁ কয় যে ইয়াৰ ফলত মধ্যবিত্ত আৰু দৰিদ্ৰ পৰিয়ালসমূহে কোচিং ক্লাছৰ নামত ব্যয় কৰা হাজাৰ কোটি টকা ৰাহি হ'ব।

বাইট- মোদী - কোচিং

প্ৰধানমন্ত্ৰী মোদীয়ে লোকপিয়ল আসোৱাহমুক্ত কৰাৰ বাবে দেশৰ যুৱ প্ৰজন্মক তেওঁলোকৰ পৰিয়ালসমূহৰ সঠিক তথ্য ডিজিটেল মাধ্যমেৰে অৱগত কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে দেশত বৰ্তমান অব্যাহত থকা লোকপিয়ল প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ নৱ প্ৰজন্মৰ প্ৰতি আহ্বান জনায়।

০০০০

বিশ্ব নেতা আৰু বিভিন্ন দেশৰ দূতাবাসসমূহে ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ভাৰতক শুভেচ্ছা জনাইছে। বিশ্ব নেতাসকলে ভাৰতৰ গণতান্ত্ৰিক যাত্ৰা, সভ্যতাগত ঐতিহ্য তথা আঞ্চলিক আৰু গোলকীয় সহযোগিতাৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰী ভূমিকাৰ প্ৰশংসা কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'ই ভাৰত আৰু আমেৰিকাৰ মাজৰ সুদৃঢ় সম্পৰ্কত আলোকপাত কৰাৰ লগতে ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নমে দক্ষতা, ডিজিটেল ব্যৱস্থা, বহনক্ষমতা আৰু অত্যাধুনিক নিৰ্মাণ খণ্ডত ভাৰতৰ সৈতে বৰ্ধিত সহযোগিতাৰ কথা উল্লেখ কৰে।

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ই ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ভাৰতক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

ইজৰাইলৰ ৰাষ্ট্ৰপতি আইজাক হেৰজগে ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু দেশবাসীলৈ স্বাধীনতা দিৱসত অভিনন্দন জ্ঞাপন কৰে।

আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰদূত মাৰিআনো কওচিনো, ইজৰাইলৰ ৰাষ্ট্ৰদূত ৰিউভেন আজাৰ, শ্ৰীলংকাৰ উচ্চায়ুক্ত মহিসিনি ক'ল'নে, নেপালৰ দূতাবাস, ফ্ৰান্সৰ দূতাবাস, অষ্ট্ৰেলিয়াৰ উপ-উচ্চায়ুক্ত, আৰু কানাডাৰ উচ্চায়ুক্তই ভাৰতৰ ঐতিহ্য, বিচিত্ৰতা, অৰ্থনৈতিক সম্ভাৱনীয়তা আৰু বৰ্ধিত দ্বিপাক্ষিক সম্পৰ্কত গুৰুত্ব আৰোপ কৰি স্বাধীনতা দিৱসৰ শুভেচ্ছা জনায়। মালদ্বীপৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ইব্ৰাহিম মহম্মদ ছলি আৰু মালদ্বীপ নেচনেল পাৰ্টিৰ সভাপতি মহম্মদ নাজিমে ভাৰতৰ বিকাশ আৰু দেশখনৰ সৈতে অংশীদাৰিত্বৰ প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ পবিত্ৰ ক্ষণত শুভেচ্ছা জনোৱা বিশ্বনেতাসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছে। নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহৰ শুভেচ্ছাবাণীৰ প্ৰত্যুত্তৰত শ্ৰীমোদীয়ে দুয়োখন দেশে পাৰস্পৰিক সমৃদ্ধিৰ হকে একেলগে কাম কৰি যাবলৈ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। ভূটানৰ

প্ৰধানমন্ত্ৰী ছেৰিং তবগেক তেওঁৰ শুভেচ্ছাবাণীৰ বাবে ধন্যবাদ জ্ঞাপন কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে ভাৰত আৰু ভূটানৰ  মাজৰ বিশেষ বন্ধুত্ব ক্ৰমান্বয়ে দৃঢ়ৰ পৰা দৃঢ়তৰ হৈ পৰাৰ কথা উল্লেখ কৰে।

০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়।

মণিপুৰৰ পশ্চিম ইম্ফলস্থিত প্ৰথম মণিপুৰ ৰাইফলছ্ পেৰেড গ্ৰাউণ্ডত আয়োজিত স্বাধীনতা দিৱসৰ ৰাজ্যিক কাৰ্যসূচীত মুখ্যমন্ত্ৰী য়ুমনাম খেমছান্দ সিঙে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

নাগালেণ্ডৰ কোহিমাত থকা ৰাজ্যখনৰ সচিবালয়ত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

মিজোৰামতো আজি স্বাধীনতা দিৱসৰ কাৰ্যসূচী উলহ-মালহেৰে আয়োজন কৰা হয়। আইজলত আয়োজিত কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি মুখ্যমন্ত্ৰী লালডুৱ'মাই এখন আত্মনিৰ্ভৰ আৰু উন্নত মিজোৰাম গঢ়াৰ বাবে প্ৰয়াস চলাবলৈ সকলোকে আহ্বান জনায়।

মেঘালয়ৰ ৰাজ্যপাল চি এইচ বিজয়শংকৰে শ্বিলংস্থিত লোকভৱনত স্বাধীনতা দিৱসৰ পৰম্পৰাগত চৰকাৰী অভ্যৰ্থনা অনুষ্ঠানৰ আয়োজন কৰে। মেঘালয়ৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ  শিল্পী আৰু সাংস্কৃতিক দলে সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ত্ৰিপুৰাতো আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। আগৰতলাস্থিত আচাম ৰাইফলছ্ গ্ৰাউণ্ডত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ডাঃ মানিক সাহাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে সামৰিক বাহিনীৰ কুচ্‌কাৱাজৰ অভিবাদন গ্ৰহণ কৰে।

অৰুণাচল প্ৰদেশ আৰু ছিকিমতো আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়।

০০০০০

ইণ্ডোনেচিয়াৰ ফ্ল'ৰেছ খণ্ডত আজি পুৱা অহা ৰিখটাৰ স্কেলত ৭ দশমিক ৭ প্ৰাবল্যৰ এটা ভূমিকম্পত মৃত লোকৰ সংখ্যা ৩৮ লৈ  বৃদ্ধি পাইছে। এই শক্তিশালী ভূমিকম্পৰ পাছতে ১০ টাৰো অধিক পৰৱৰ্তী জোকাৰণি অনুভুত হয়।

ভূমিকম্পত বহু অট্টালিকা ভাঙি পৰাৰ লগতে কেইবাঠাইতো ভূমিস্খলন হোৱাৰ ফলত বহুতো লোক আহত হয়। ভূমিকম্পৰ পাছতেই ছুনামীৰ সতৰ্কতা জাৰি কৰা হৈছিল যদিও পাছত সাগৰৰ স্তৰৰ বিশেষ পৰিৱৰ্তন প্ৰত্যক্ষ নোহোৱাত ভূমিকম্পৰ প্ৰায় ৩ ঘণ্টাৰ পাছত সতৰ্কবাণী উঠাই লোৱা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূ-বৈজ্ঞানিক সমীক্ষাই প্ৰকাশ কৰা মতে ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল ইণ্ডোনেচিয়াৰ পূব নুচা টেংগাৰাৰ এন্দে নগৰৰ পৰা প্ৰায় ৬৮ কিলোমিটাৰ উত্তৰ-উত্তৰ-পূবৰ ভূ-গৰ্ভৰ ১০ কিলোমিটাৰ গভীৰত। উদ্ধাৰকাৰ্যত নিয়োজিত সংশ্লিষ্ট বিষয়ববীয়াই জানিবলৈ দিয়া অনুসৰি বহুকেইটা অঞ্চলত ভাঙি পৰা অট্টালিকাৰ ধ্বংসস্তুপৰ মাজত এতিয়াও বহু লোক আৱদ্ধ হৈ আছে। উদ্ধাৰকাৰী দলসমূহে স্থানীয় প্ৰশাসনৰ সহায়ত উদ্ধাৰকাৰ্য অব্যাহত ৰাখিছে।

০০০০

কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদে ক্ষুদ্ৰ কৰদাতাসকলৰ বিদেশৰ সম্পত্তিৰ তথ্য দাখিল আঁচনিৰ নিয়ম ২০২৬ ৰ বাবে অধিসূচনা জাৰি কৰিছে। যোগ্য কৰদাতাসকলক তেওঁলোকৰ নিৰ্ধাৰিত বিদেশৰ সম্পত্তিৰ তথ্য দাখিল, তেওঁলোকৰ বিদেশৰ উপাৰ্জন, বিশেষ কৰ তথা মাছুল আদায়ৰ বাবে এই আঁচনি গ্ৰহণ কৰা হৈছে। কাইলৈৰ পৰা এই আঁচনি বলবৎ হ'ব আৰু চলিত বৰ্ষৰ ৩১ ডিচেম্বৰৰ ভিতৰত ঘোষণা পত্ৰৰ জৰিয়তে তেওঁলোকে সবিশেষ দাখিল কৰিব পাৰিব।

০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ সামৰণিত ভাৰতে ২ উইকেটৰ বিনিময়ত ২৮৮ ৰাণ সংগ্ৰহ কৰিছে। শ্ৰীলংকাৰ গওল আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলত আজি টছত জিকি ভাৰতে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। অপেনাৰ যশস্বী জয়ছোৱালে ৩২ ৰাণ কৰি আউট হোৱাৰ পাছত কে এল ৰাহুলে ৭৭ ৰাণ কৰি আঘাতৰ বাবে খেলপথাৰ ত্যাগ কৰে। দেৱদত্ত পাদিক্কালে অনবদ্য বেটিঙেৰে শতৰাণ অৰ্জন কৰে। আজি প্ৰথমদিনাৰ খেল অন্ত পৰাৰ সময়ত পাদিক্কাল ১৩১ ৰাণ আৰু ঋষভ পণ্ট ২৭ ৰাণ কৰি অপৰাজিত হৈ থাকে। ০

০০০০

ঃঃ সমাপ্ত ঃঃ